# 2019

## POLITICAL SCIENCE

( Major )

Paper : 2.1

**( Political Theory—II )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ লিখা :

(a) Plato identified democracy as a perverted form of government.

( Write True or False )

প্লেটোৱে গণতন্ত্ৰক বিকৃত চৰকাৰ হিচাপে চিনাক্ত কৰিছিল।

( শুদ্ধ নে অশুদ্ধ লিখা )

*(b)* In which year UNO adopted the 'Millennium Development Goals'?

ৰাষ্ট্ৰসংঘই কোন চনত 'সহস্ৰাব্দ বিকাশৰ লক্ষ্য' গ্ৰহণ কৰিছিল ?

*(c)* Write the full form of LPG.

LPG ৰ সম্পূৰ্ণ ৰূপটো লিখা।

*(d)* Write the name of one book written by Joseph Stiglitz on globalization.

জোচেফ ষ্টিগলিজে গোলকীকৰণৰ ওপৰত লিখা এখন গ্ৰন্থৰ নাম লিখা।

*(e)* Who wrote the book, *Neo-Colonialism : The Last Stage of Imperialism* (1965)?

*Neo-Colonialism : The Last Stage of Imperialism* (১৯৬৫) গ্ৰন্থখন কোনে ৰচনা কৰিছিল ?

*(f)* Mention one aim of New International Economic Order.

নতুন আন্তৰ্জাতিক অৰ্থনৈতিক শৃংখলাৰ এটা লক্ষ্য উল্লেখ কৰা।

*(g)* Who among the following is associated with the theory of liberal democracy?

তলৰ কোনজন গণতন্ত্ৰৰ উদাৰতাবাদী তত্ত্বৰ লগত জড়িত?

*(i)* Mosca
মচ্‌কা

*(ii)* Poulantzas
পোলনটাজ্

*(iii)* John Locke
জন লক

*(iv)* V. Pareto
ভি. পেৰেটো

( Choose the correct answer )
( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

*(h)* Mention the name of one country which belongs to the Third World.

তৃতীয় বিশ্বৰ অন্তৰ্গত এখন দেশৰ নাম উল্লেখ কৰা।

*(i)* Who developed the concept of 'Overdeveloped State'?

'অতি-বিকশিত ৰাষ্ট্ৰ'ৰ ধাৰণাটো কোনে আগবঢ়াইছিল?

*(j)* Mention one economic instrument of Neo-colonialism.

নব্য-উপনিৱেশবাদৰ এটা অৰ্থনৈতিক আহিলা উল্লেখ কৰা।

**2.** Write very short answer : 2×5=10

অতি চমু উত্তৰ লিখা :

(a) Define democracy.

গণতন্ত্ৰক সংজ্ঞাবদ্ধ কৰা।

(b) What are the two classes of people according to the proponents of the Elite theory?

সম্ভ্ৰান্তবাদী তত্ত্বৰ প্ৰৱক্তাসকলৰ মতে জনসাধাৰণৰ শ্ৰেণী দুটা কি কি?

(c) Mention two economic aims of Third World countries.

তৃতীয় বিশ্বৰ দেশসমূহৰ দুটা অৰ্থনৈতিক উদ্দেশ্য উল্লেখ কৰা।

(d) Mention two obstacles of Human Development.

মানৱ বিকাশৰ দুটা প্ৰতিবন্ধকতা উল্লেখ কৰা।

(e) Write the meaning of 'initiative'.

'গণপ্ৰস্তাৱ'ৰ অৰ্থ লিখা।

**3.** Answer any *four* of the following questions : 5×4=20

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Write briefly about the main principles of liberal democracy.

উদাৰতাবাদী গণতন্ত্ৰৰ মূল নীতিবোৰৰ বিষয়ে চমুকৈ লিখা।

(b) Write briefly about the alternative models of development.

বিকাশৰ বিকল্প আৰ্হিবোৰৰ বিষয়ে চমুকৈ লিখা।

(c) Write briefly about the human security problems of Third World countries.

তৃতীয় বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মানৱ নিৰাপত্তামূলক সমস্যাসমূহৰ বিষয়ে চমুকৈ লিখা।

(d) Write a short note on the principles of social justice.

সামাজিক ন্যায়ৰ নীতিবোৰৰ বিষয়ে এটা চমু টোকা লিখা।

(e) Write a short note on the relevance of the concept of Third World in the post-Cold War era.

শীতল যুদ্ধোত্তৰ যুগত তৃতীয় বিশ্বৰ ধাৰণাৰ প্ৰাসঙ্গিকতাৰ ওপৰত এটা চমু টোকা লিখা।

**4.** Write answer to the following questions : 10×4=40

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Make a comparative study of Marxist and Elitist theories of democracy. 10

গণতন্ত্ৰৰ মাৰ্ক্সবাদী তত্ত্ব আৰু সম্ভ্ৰান্তবাদী তত্ত্বৰ এক তুলনামূলক অধ্যয়ন কৰা।

*Or / অথবা*

"Democracy is based upon the conviction that there are extraordinary possibilities in ordinary people."

(*Harry Emerson Fosdick*)

In the light of the above statement, elaborate the theory of participatory democracy. 10

"সাধাৰণ জনতাৰ বিশেষ সম্ভাৱনীয়তাৰ সিদ্ধান্তৰ ওপৰতেই গণতন্ত্ৰ প্ৰতিষ্ঠিত।" (*হেৰী এমাৰছন ফছডিক*)

ওপৰোক্ত ধাৰণাৰ ভিত্তিত গণতন্ত্ৰৰ অংশগ্ৰহণকাৰী তত্ত্বটো ব্যাখ্যা কৰা।

*(b)* "Earth has enough resources to satisfy everybody's need but not their greed."

(*Gandhi*)

In the light of the above statement, analyze Gandhi's model of development and its relevance in present society. 7+3=10

"প্ৰকৃতিয়ে প্ৰত্যেক ব্যক্তিৰ প্ৰয়োজন পূৰণৰ বাবেহে যথেষ্ট সম্পদ প্ৰদান কৰিছে, লোভ নিবাৰণৰ বাবে নহয়।" (*গান্ধী*)

উক্ত ধাৰণাৰ ভিত্তিত গান্ধীৰ বিকাশৰ আৰ্হিটো বিশ্লেষণ কৰা আৰু বৰ্তমান সমাজত ইয়াৰ প্ৰাসঙ্গিকতা আলোচনা কৰা।

*Or / অথবা*

Write the meaning of Human Development. What parameters have been identified in Human Development Index to measure human development? Mention two limitations of Human Development Index. 3+5+2=10

মানৱ বিকাশৰ অৰ্থ লিখা। মানৱ বিকাশ নিৰ্ধাৰণ কৰিবলৈ মানৱ বিকাশ সূচকাংকই কি কি পৰিমাপক গ্ৰহণ কৰিছে? মানৱ বিকাশ সূচকাংকৰ দুটা সীমাবদ্ধতা উল্লেখ কৰা।

*(c)* What is multiculturalism? Analyze multiculturalism as a theory of protection of minority rights. 3+7=10

বহুসংস্কৃতিবাদ কি? সংখ্যালঘুৰ স্বাৰ্থৰক্ষা তত্ত্ব হিচাপে বহুসংস্কৃতিবাদৰ বিশ্লেষণ কৰা।

*Or / অথবা*

Write briefly the characteristics of multiculturalism. Discuss the relationship between multiculturalism and democracy. 4+6=10

বহুসংস্কৃতিবাদৰ বৈশিষ্ট্যসমূহ চমুকৈ লিখা। বহুসংস্কৃতিবাদ আৰু গণতন্ত্ৰৰ মাজৰ সম্পৰ্ক আলোচনা কৰা।

*(d)* On what context did the dependency theory develop? Analyze briefly the dependency theory with special reference to the 'center-periphery model' developed by Andre Gunder Frank. 3+7=10

কি প্ৰেক্ষাপটত নিৰ্ভৰশীলতা তত্ত্ব উদ্ভৱ হৈছিল? আন্দ্ৰে গুণ্ডাৰ ফ্ৰাংকৰ 'কেন্দ্ৰীয়-প্ৰান্তীয় আৰ্হি'ৰ বিশেষ উল্লেখসহ চমুকৈ নিৰ্ভৰশীলতা তত্ত্বটো বিশ্লেষণ কৰা।

*Or / অথবা*

Explain the basic problems of Third World countries. 10

তৃতীয় বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মূল সমস্যাবোৰ বৰ্ণনা কৰা।

★★★

# 2019

## POLITICAL SCIENCE

( Major )

Paper : 2.2

**( Politics in India )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ কৰা :

*(a)* Article I of the Constitution of India describes India as a _____ of States.

( Fill in the blank )

ভাৰতীয় সংবিধানৰ এক নম্বৰ অনুচ্ছেদে ভাৰতক এখন ৰাজ্যসমূহৰ _____ হিচাপে বৰ্ণনা কৰিছে।

( খালী ঠাই পূৰণ কৰা )

*(b)* In which year was the Sarkaria Commission formed?

কোন চনত চৰকাৰিয়া আয়োগ গঠন হৈছিল ?

*(c)* Write the full form of NDC.

NDC-ৰ সম্পূৰ্ণ ৰূপটো লিখা ।

*(d)* Political parties in India are not recognized by the Constitution of India.

( Write True or False )

ভাৰতৰ ৰাজনৈতিক দলসমূহ ভাৰতীয় সংবিধানৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত নহয় ।

( সত্য নে অসত্য লিখা )

*(e)* Who was the Prime Minister of India when the Anti-Defection Act was adopted?

দলত্যাগবিৰোধী আইনখন গ্ৰহণ কৰাৰ সময়ত ভাৰতৰ প্ৰধানমন্ত্ৰী কোন আছিল ?

*(f)* Articles 324–329 of Part XV of the Indian Constitution discuss about electoral system of India.

( Write True or False )

ভাৰতীয় সংবিধানৰ পঞ্চদশ অধ্যায়ৰ ৩২৪ নম্বৰ অনুচ্ছেদৰ পৰা ৩২৯ নম্বৰ অনুচ্ছেদলৈ ভাৰতৰ নিৰ্বাচনী ব্যৱস্থাৰ উল্লেখ আছে ।

( সত্য নে অসত্য লিখা )

*(g)* Which of the following Constitutional Amendment Acts is regarded as the most comprehensive one?

নিম্নোল্লিখিত কোনখন সংবিধান সংশোধনী আইনক সবাতোকৈ বিস্তাৰিত আইনৰূপে জনা যায়?

*(i)* Forty-fourth Amendment Act

৪৪ তম সংশোধনী আইন

*(ii)* Forty-second Amendment Act

৪২ তম সংশোধনী আইন

*(iii)* Seventy-third Amendment Act

৭৩ তম সংশোধনী আইন

*(iv)* Twenty-fifth Amendment Act

২৫তম সংশোধনী আইন

( Choose the correct option )

( শুদ্ধ বিকল্পটো বাছি উলিওৱা )

*(h)* When did Asom Gana Parishad (AGP) first come to power in Assam?

অসম গণপৰিষদে প্ৰথমবাৰৰ বাবে অসমত কোন চনত ক্ষমতাত অধিষ্ঠিত হৈছিল?

*(i)* *Constitutional Government in India* is written by

*Constitutional Government in India* গ্ৰন্থখনৰ লেখক হ'ল

*(i)* M. V. Pylee

এম. ভি. পায়লী

*(ii)* Morris Jones

মৰিছ জোনছ

*(iii)* Palmar Norman

পালমাৰ নৰ্মান

*(iv)* Paul Brass

প'ল ব্ৰাছ

( Choose the correct option )

( শুদ্ধ বিকল্পটো বাছি উলিওৱা )

*(j)* The Communist Party of India (CPI) became the first non-Congress Party to form government in Kerala in the year _____. ( Fill in the blank )

ভাৰতীয় সাম্যবাদী দলে প্ৰথম অনা-কংগ্ৰেছী দল হিচাপে কেৰালাত _____ চনত চৰকাৰ গঠন কৰে।

( খালী ঠাই পূৰণ কৰা )

**2.** Write very short answers : 2×5=10

অতি চমু উত্তৰ লিখা :

*(a)* Mention two causes of conflict between the Centre and the States.

কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজৰ সংঘাতৰ দুটা কাৰণ উল্লেখ কৰা।

*(b)* When was the Election Commission formed? Who is the present Chief Election Commissioner of India?

নিৰ্বাচন আয়োগ কোন চনত স্থাপিত হৈছিল? ভাৰতৰ বৰ্তমানৰ মুখ্য নিৰ্বাচনী আয়ুক্তগৰাকীৰ নাম কি?

*(c)* Write two characteristics of party system in India.

ভাৰতৰ দলীয় ব্যৱস্থাৰ দুটা চাৰিত্ৰিক বৈশিষ্ট্য লিখা।

*(d)* Write two legislative relations between the Centre and the States.

কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজৰ দুটা বিধায়িনী সম্পৰ্ক লিখা।

*(e)* Write two causes for the rise of terrorism in India.

ভাৰতত সন্ত্ৰাসবাদ উত্থানৰ দুটা কাৰণ লিখা।

**3.** Write short notes on any *four* of the following : 5×4=20

তলৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা :

(a) Inter-State Council

আন্তঃৰাজ্যিক পৰিষদ

(b) Proportional representation

আনুপাতিক প্ৰতিনিধিত্ব

(c) Article 356

৩৫৬ নম্বৰ অনুচ্ছেদ

(d) Bharatiya Janata Party

ভাৰতীয় জনতা পাৰ্টি

(e) Relevance of regional political party in Assam

অসমত আঞ্চলিক ৰাজনৈতিক দলৰ প্ৰাসংগিকতা

(f) Changing trend in Centre-State relations

কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্কৰ পৰিৱৰ্তিত ধাৰা

**4.** Answer the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

*(a)* What is national integration? Discuss the importance of national integration in a vast and diverse country like India. 3+7=10

জাতীয় সংহতি কি ? ভাৰতৰ দৰে বিশাল আৰু বৈচিত্ৰ্যপূৰ্ণ দেশ এখনত জাতীয় সংহতিৰ গুৰুত্ব আলোচনা কৰা।

*Or / নাইবা*

Discuss the causes of rise of regionalism in India. Is regionalism a challenge to national integration? Justify your answer. 7+3=10

ভাৰতত আঞ্চলিকতাবাদ উত্থানৰ কাৰণসমূহ আলোচনা কৰা। আঞ্চলিকতাবাদ জাতীয় সংহতিৰ বাবে এক প্ৰত্যাহ্বাননেকি ? তোমাৰ উত্তৰৰ যুক্তিযুক্ততা দিয়া।

*(b)* Discuss the role of the Governor in Centre-State relations in India. 10

ভাৰতত কেন্দ্ৰ-ৰাজ্য সম্পৰ্কত ৰাজ্যপালৰ ভূমিকা আলোচনা কৰা।

*Or / নাইবা*

Discuss the constitutional provisions relating to Centre-State financial relations in India. 10

ভাৰতত কেন্দ্ৰ-ৰাজ্য বিত্তীয় সম্পৰ্কৰ সৈতে জড়িত সাংবিধানিক ব্যৱস্থাসমূহ আলোচনা কৰা।

(c) Discuss about the election system of India. What type of suggestions you wish to offer to have a healthy electoral process in India? 7+3=10

ভাৰতৰ নিৰ্বাচনী ব্যৱস্থাটোৰ আলোচনা কৰা। ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াটো সুস্থভাৱে ৰাখিবলৈ তুমি কেনেধৰণৰ পৰামৰ্শ আগবঢ়াব বিচৰা?

*Or / নাইবা*

What is coalition politics? Discuss the state of nature of coalition politics in India. 3+7=10

সংযুক্ত ৰাজনীতি কি? ভাৰতত সংযুক্ত ৰাজনীতিৰ প্ৰকৃতি আলোচনা কৰা।

(d) What do you mean by casteism? Discuss the role of caste in Indian politics. 3+7=10

জাতিপ্ৰথা মানে কি বুজা? ভাৰতীয় ৰাজনীতিত জাতিৰ ভূমিকা আলোচনা কৰা।

*Or / নাইবা*

What do you mean by communalism? Discuss the causes of communalism in India. 3+7=10

সাম্প্ৰদায়িকতাবাদ মানে কি বুজা? ভাৰতত সাম্প্ৰদায়িকতাবাদৰ কাৰণসমূহ আলোচনা কৰা।

★★★